**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-FEB-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ৰাজ্যৰ বিদ্যালয়ৰ শিক্ষকৰ আৰ্জিত ছুটী বছৰি ১৫ দিনলৈ বৃদ্ধিত মন্ত্ৰীসভাৰ অনুমোদন।

২। অসম বিধানসভাৰ বাজেট অধিবেশনত আজি ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰী সন্দৰ্ভত আলোচনা।

৩। ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতে আজি নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দলৰ মত বিনিময়।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত মিচিংসকলৰ কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং উদযাপন। **আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ভাৰত নেডাৰলেণ্ডছৰ মুখামুখি।

000000

মিছন বসুন্ধৰা দ্বিতীয় পৰ্যায়ৰ অধীনত ৰাজ্যৰ ১০ খন জিলাৰ ৩১৯টা ভূমিহীন পৰিয়ালক গৃহ নিৰ্মাণৰ বাবে চৰকাৰী খাচ আৰু চিলিং উদ্বৃত্ত ভূমি বন্দোৱস্তীত অসম মন্ত্ৰীসভাই অনুমোদন জনাইছে। দিছপুৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজ্য চৰকাৰৰ প্ৰথম আৰু দ্বিতীয় বৰ্গৰ চাকৰিৰ ক্ষেত্ৰত চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ বাবে ৩ শতাংশ পদ সংৰক্ষণত কালি মন্ত্ৰীসভাই অনুমোদন জনায়। মন্ত্ৰীসভাই বিদ্যালয়ৰ শিক্ষকসকলৰ বাবে আৰ্জিত ছুটী বছৰি ১৫ দিনলৈ বৃদ্ধিত অনুমোদন জনায়। ধেমাজি জিলাত ক্ৰীড়া আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে মন্ত্ৰীসভাই জিলাখনৰ চৰকাৰী ভূমি অসম ক্ৰিকেট সন্থাক প্ৰদানৰ বাবে অনুমোদন জনায়। যোৰহাটৰ বৰভেটিত ঐতিহ্য আন্তঃগাঁথনি উন্নয়নৰ বাবে সংহত প্ৰকল্প নিৰ্মাণ কৰিবলৈ কেবিনেটে ১৯ কোটি ৫৯ লাখ টকাৰ আৱণ্টনত অনুমোদন জনাইছে। এই প্ৰকল্পত নামঘৰ আন্তঃগাঁথনি আৰু এলেকা উন্নয়নৰ কাম-কাজ সামৰি লোৱা হৈছে। তদুপৰি মহিলা উদ্যমিতা অভিযানৰ অধীনত অতিৰিক্ত এক লাখ ৭ হাজাৰ ৫৩২ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক প্ৰাৰম্ভিক মূলধন মোকলাই দিয়াৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন জনায়। কাৰ্বি আংলং জিলাৰ লাংৰ'কুত নিৰ্মাণ হ'বলগীয়া সৈনিক স্কুলৰ বাবে আৱণ্টন ১০০ কোটিৰ পৰা ৩৩৫ কোটি ৮৭ লাখ টকালৈ বৃদ্ধিৰ বাবে কেবিনেটে অনুমোদন জনায়।

000000

অৰুণোদয় হিতাধিকাৰীসকলে অহা ১০ মাৰ্চত আঁচনিৰ ধন লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। অহা ২০ ফেব্ৰুৱাৰীত হিতাধিকাৰীসকলে আঁচনিৰ ধন লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে পূৰ্বতে প্ৰকাশ কৰিছিল যদিও ২০ ফেব্ৰুৱাৰীৰ পৰিৱৰ্তে ১০ মাৰ্চত এই ধনৰাশি প্ৰদান কৰা হ'ব বুলি কালি তেওঁ সংবাদমাধ্যমৰ আগত সদৰি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অহা ১০ মাৰ্চত হিতাধিকাৰীসকলে ৯ হাজাৰ টকাকৈ লাভ কৰিব।

**বাইট (চি এম)**

000000

পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি তৃতীয়দিনা সদনত ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। অধিৱেশনৰ আৰম্ভণিতে প্ৰশ্নোত্তৰ শিতান থাকিব। কাইলৈ অধিৱেশনৰ অন্তিম দিনা বাজেট সন্দৰ্ভত আলোচনা আৰু ভোটদান অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে কালি সদনত ২০২৬-২৭ বৰ্ষৰ

অন্তৰ্বৰ্তী লেখানুদান দাখিল কৰা হয়। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে এই লেখানুদান দাখিল কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰাৰম্ভিক চাৰি মাহৰ বাবে ৬২ লাখ ২৯ হাজাৰ ৪৭৮ টকাৰ লেখানুদান দাখিল কৰে। পূৰ্ণাংগ বাজেট উত্থাপন নকৰা পৰ্যন্ত চৰকাৰৰ কাম-কাজ চলাই নিবলৈ এই বাজেট দাখিল কৰা হৈছে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে লেখানুদানত প্ৰকাশ কৰে। এই লেখানুদানত ২০২৬-২৭ বৰ্ষত বিকাশৰ হাৰ ১৬ দশমিক ৯-৩ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। একেদৰে ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন চাৰে ৮ লাখ কোটি টকাৰো অধিক হ'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে লেখানুদানত প্ৰকাশ কৰিছে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দলটোৱে আজি ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতে মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। বিয়লি আয়োগৰ দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব।

দলটোৱে কালি ৰাজ্যৰ স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাত বিজেপিৰ ডাঃ ৰণোজ পেগু, প্ৰদান বৰুৱা, সিদ্ধাৰ্থ ভট্টাচাৰ্য, কংগ্ৰেছৰ ৰকিবুল হুছেইন, বি পি এফৰ দুৰ্গাদাস বড়ো, অসম গণ পৰিষদৰ সুনীল ৰাজখোৱাকে ধৰি কেইবাগৰাকী নেতাই অংশগ্ৰহণ কৰে। আয়োগৰ দলটোত নিৰ্বাচন আয়ুক্ত ডা০ সুখবীৰ সিং সান্ধু আৰু ড০ বিবেক যোশীৰ লগতে ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেল আৰু নিৰ্বাচন আয়োগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মিচিং জনজাতীয় লোকসকলে মাহজোৰা প্ৰস্তুতিৰ অন্তত কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং পালন কৰিছে। এই উৎসৱক লৈ মিচিং বসতিপ্ৰধান অঞ্চলসমূহত উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। অসমীয়া সমাজ জীৱনৰ সমন্বয়ৰ সেঁতু গঢ়ি মিচিং জনজাতীয় লোকসকলে প্ৰতিবছৰে এই উৎসৱ পালন কৰি আহিছে। আলি মানে হৈছে শস্যৰ বীজ, আঃয়েৰ অৰ্থ হৈছে গা-গছৰ ওপৰত হোৱা ফল বা গুটি আৰু লৃগাং শব্দৰ অৰ্থ হৈছে ৰোপণ কাৰ্য। এই কৃষিভিত্তিক উৎসৱত বীজ ৰোপণ কাৰ্য আৰম্ভ কৰাৰ লগতে এই উৎসৱৰ সৈতে জড়িত গীত-নৃত্যসমূহে মিচিংসকলৰ ঐতিহ্য আৰু পৰম্পৰাক প্ৰতিনিধিত্ব কৰি আহিছে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু সদৌ গুৱাহাটী মিচিং কেবাঙৰ সহযোগত আজি পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আলি-আয়ে-লৃগাঙৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কৃষি আৰু উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক অতুল বৰা, ভূৱন পেগু, নৱ কুমাৰ দলে, ভূৱন গাম আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়াই এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আলি-আয়ে-লৃগাং উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ শস্য সিঁচাৰ এই উৎসৱে শ্ৰমজীৱি কৃষক সমাজৰ লগতে মানৱ জাতিলৈ সমৃদ্ধিৰ বাৰ্তা কঢ়িয়াই অনাৰ আশা প্ৰকাশ কৰিছে।

**মাজুলী**ৰ বিভিন্ন স্থানত পুৱাৰে পৰা আলি-আয়ে-লৃগাঙৰ আয়োজন কৰা হৈছে। **লক্ষিমপুৰ** জিলাৰ বিভিন্ন স্থানতো পুৱাৰে পৰা এই উৎসৱ পালন কৰা হৈছে। **ধেমাজি** জিলাৰ বিভিন্ন স্থানতো কৃষিভিত্তিক এই উৎসৱটো পালন কৰা হৈছে। আলি-আয়ে-লৃগাং উপলক্ষে ৰাজ্যৰ ১০ খন জিলাত চৰকাৰী বন্ধ ঘোষণা কৰা হৈছে। ধেমাজি জিলাৰ বিভিন্ন স্থানত আয়োজন কৰা আলি-আয়ে-লৃগাঙৰ সন্দৰ্ভত আমাৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাই এইদৰে জনাইছে-

**ভইচকাষ্ট (হৰেন্দ্ৰ নাথ শৰ্মা)**

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনকেন্দ্ৰিক আলোচনা অব্যাহত ৰাখিছে। ৰাজনৈতিক দলসমূহৰ শীৰ্ষ নেতৃত্বৰ ৰাজ্যখনলৈ আগমনে তৎপৰতা বৃদ্ধি কৰিছে। বিজেপিৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনেও আজি অসম ভ্ৰমণ কৰিব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকী দলীয় কৰ্মীসকলৰ মনোবল বৃদ্ধি কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই সন্দৰ্ভত দলৰ মুখপাত্ৰ কল্যান গগৈয়ে এখন সংবাদমেলত কয় যে ৰাষ্ট্ৰীয় সভাপতিগৰাকী আজি দিনৰ এক বজাত ডিব্ৰুগড়ৰ মোহনবাৰী বিমানবন্দৰত উপস্থিত হ'ব। ইয়াৰ পৰা তেওঁ খনিকৰ চাৰিআলিলৈ যাব। তেওঁ মানকটা খেলপথাৰত ৰাজ্যিক বিজেপিয়ে আয়োজন কৰা কাৰ্যকৰ্তা সন্মিলনত ভাগ ল'ব। পাছত তেওঁ ডিব্ৰুগড় জিলা প্ৰেক্ষাগৃহত হ'বলগীয়া প্ৰবুদ্ধ নাগৰিক সন্মিলনত অংশগ্ৰহণ কৰিব। তেওঁ সন্ধিয়া সাত বজাত দলৰ প্ৰভাৰী, সহ-প্ৰভাৰী তথা কৰ্মীসকলৰ সৈতে সাংগঠনিক বৈঠকত মিলিত হ'ব। ডিব্ৰুগড়ত দলীয় সভাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে শীৰ্ষ নেতাসকলে প্ৰস্তুতি পৰিদৰ্শন কৰিছে। কালি মন্ত্ৰী বিমল বৰা আৰু প্ৰশান্ত ফুকনে এই অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। শিৱসাগৰ জিলা বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি ৰাষ্ট্ৰীয় সভাপতিগৰাকীৰ এই ভ্ৰমণ সন্দৰ্ভত জিলা সভাপতি বিতোপন ৰাইদঙীয়া আৰু অসম প্ৰদেশ বিজেপিৰ মুখপাত্ৰ অংকিতা দত্তই সংবাদমেলত অৱগত কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২০ ফেব্ৰুৱাৰীত পুনৰ অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

ইপিনে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও নেতা তথা সদস্যই দলীয় দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ লগতে আন দলতো যোগদান কৰা পৰিলক্ষিত হৈছে। অসম ৰাজ্যিক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ নেতা ভূপেন বৰাই দলটোৰ পৰা পদত্যাগ কৰিছে আৰু অহা ২২ ফেব্ৰুৱাৰীত বিজেপিত যোগ দিব বুলি প্ৰকাশ কৰিছে।

০০০০০০

কটন বিশ্ববিদ্যালয়ত কালিৰেপৰা দুদিনীয়াকৈ কটন পৰিৱেশ সন্মিলন, ২০২৬ অনুষ্ঠিত হৈছে। কালি প্ৰথমদিনা অসমৰ জৈৱ বৈচিত্ৰ সংৰক্ষণ, প্ৰত্যাহ্বান আৰু উত্তৰণ শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত প্ৰকৃতিকৰ্মী যাদৱ পায়েং বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত অংশ লৈ বিশ্ববিদ্যালয়খনৰ এই পদক্ষেপক প্ৰকৃতি কৰ্মীগৰাকীয়ে প্ৰশংসা কৰে।

**বাইট**

০০০০০০

প্ৰাদেশিকীকৰণৰ যোগ্য শিক্ষানুষ্ঠানসমূহৰ বাবে আজি ৰাজ্য চৰকাৰে এটা অনলাইন প'ৰ্টেল মুকলি কৰিব। লোকসেৱা ভৱনৰ মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ সভাকক্ষত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব।

০০০০০০

নুমলীগড়ত স্থাপন হোৱা বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক ইথানল প্ৰকল্পৰ জৰিয়তে অহা তিনি বছৰৰ ভিতৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় তিনি হাজাৰ বাঁহ উৎপাদনকাৰীক সামৰি লোৱাৰ পৰিকল্পনা কৰা হৈছে। অসম জৈৱ ইথানল প্ৰাইভেট লিমিটেডে এই বিষয়ে প্ৰকাশ কৰিয়ে। যোৱা বছৰৰ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰা এই প্ৰকল্পটোৰ বছৰি উৎপাদন ক্ষমতা ৪৯ হাজাৰ নিযুত টন। প্ৰকল্পটোত ৪ হাজাৰ ৯৩০ কোটি টকা বিনিয়োগ কৰা হৈছে। সম্প্ৰতি ষ্টাৰ্টআপ পৰ্যায়ৰ মাজেৰে চলি থকা এই প্ৰকল্পত উৎপাদন প্ৰক্ৰিয়া এসপ্তাহৰ ভিতৰত সুস্থিৰ হৈ উঠিব বুলি প্ৰতিষ্ঠানটোৰ মুখ্য কাৰ্যবাহী বিষয়া ৰূপজ্যোতি হাজৰিকাই প্ৰকাশ কৰিছে। বিষয়াগৰাকীয়ে কয়, যে তেওঁলোকে পৰীক্ষামূলকভাৱে ৯৯ দশমিক ৭ শতাংশ বিশুদ্ধতাৰে ইন্ধন হিচাপে ইথানল উৎপাদন আৰম্ভ কৰিছে। নুমলীগড়ৰ ৪৩ একৰ ভূমিত স্থাপন হোৱা এই প্ৰকল্পত কেঁচামাল হিচাপে বছৰি প্ৰায় ৫ লাখ নিযুত টন বাঁহৰ প্ৰয়োজন

হ’ব। তিনি বছৰৰ ভিতৰত অসমৰ লগতে উত্তৰ-পূবৰ ৰাজ্যকেইখনৰ পৰা বাঁহ সংগ্ৰহ কৰিব। এই সময়ছোৱাত প্ৰতিষ্ঠানটোৱে প্ৰায় ৬০ লাখ বাঁহৰ পুলি ব্যৱহাৰ কৰি ১২ হাজাৰ ৫০০ হেক্টৰ ভূমিত বাঁহ উৎপাদন কৰিব বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। এই প্ৰক্ৰিয়াত কমেও ৪ হাজাৰ ২০০ গৰাকী কৃষক পঞ্জীভুক্ত হৈছে বুলি তেওঁ কয়। অহা ৩ বছৰৰ ভিতৰত এই সংখ্যা ৩০ হাজাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া ভাৰত আৰু নেডাৰলেণ্ডছ মুখামুখি হ’ব। প্ৰতিযোগিতাত আজি মুঠ তিনিখন খেল অনুষ্ঠিত হ’ব। নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত দিনৰ ১১ বজাত গ্ৰুপ-ডিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে খেলিব। কলম্বোত বিয়লি ৩ বজাত গ্ৰুপ-এৰ এখন খেলত পাকিস্তান নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

প্ৰতিযোগিতাত যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-চিৰ এখন খেলত নেপালে স্কটলেণ্ডক ৭ উইকেটত পৰাজিত কৰে। স্কটলেণ্ডে নিৰ্ধাৰণ কৰি দিয়া ১৭১ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি নেপালে নিৰ্ধাৰিত অভাৰ শেষ হ’বলৈ ৪টা বল বাকী থকা অৱস্থাত ৩ উইকেটৰ বিনিময়ত বিজয় লক্ষ্যত উপনীত হয়। দলৰ হৈ সৰ্বাধিক ৰান সংগ্ৰহ কৰা দিপেন্দ্ৰ সিঙক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

২০২১ সংস্কৰণৰ বিজয়ী অষ্ট্ৰেলিয়া টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। শ্ৰীলংকাৰ পাল্লেকেলেত কালি জিম্বাব’ৱে আৰু আয়াৰলেণ্ডৰ মাজৰ গ্ৰুপ-বিৰ এখন গুৰুত্বপূৰ্ণ খেল বৰষুণৰ বাবে এটাও বল নেখেলোৱাকৈ পৰিত্যক্ত ঘোষণা কৰাত দুয়োটা দলে সমানে পইণ্ট লাভ কৰে। এই ফলাফলৰ সুবাদত জিম্বাব’ৱে গ্ৰুপ-বিৰ পৰা চুপাৰ এইটত প্ৰৱেশ কৰা দ্বিতীয়টো দলৰূপে পৰিগণিত হয়। শ্ৰীলংকাই ইতিপূৰ্বে গ্ৰুপ-বিৰ পৰা চুপাৰ এইটত প্ৰৱেশ কৰিছে। ৱেষ্ট ইণ্ডিজ গ্ৰুপ-চিৰ পৰা চুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰা প্ৰথমটো দল আৰু ইংলেণ্ড দ্বিতীয়টো দল হিচাপে বিবেচিত হৈছে।

০০০০০০

**আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকত সমূহে বিত্ত মন্ত্ৰী অজন্তা নেওগৰ সদনত লেখানুদান দাখিল, ভূপেন বৰাৰ বিজেপিত যোগদান, এ পি এছ চি ত অনিয়ম আদি ভিন ভিন বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে।**

**অসমীয়া প্ৰতিদিন কাকতৰ শিৰোনাম ঋণ - হিতাধিকাৰী আঁচনিত বিধস্ত অৰ্থনীতি। ৰাজ্যত বৃদ্ধি ৰাজহ ঘাটিৰ পৰিমাণ। দৈনিক জনমভূমি কাকতে, মুখ্যমন্ত্ৰীয়ে বাসভৱনলৈ গৈ সাক্ষাৎ কৰাৰ পাছতে, ভূপেন বৰাই বিজেপিত যোগদান কৰাৰ বিষয়ে দুয়োগৰাকী নেতাই ঘোষণা কৰাৰ বাতৰি পৰিবেশন কৰিছে। নিয়মীয়া বাৰ্তা কাকতে অসমত ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্তৰ নেতৃত্বত পূৰ্ণাংগ প্ৰতিনিধি দল শীৰ্ষক বাতৰিক বিশেষ গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতে বিতৰ্কৰ মাজতে APSCৰ পুনৰ ফলাফল ঘোষণা, প্ৰথমে উত্তীৰ্ণ প্ৰাৰ্থীৰ নাম দ্বিতীয় তালিকাত কৰ্তন হোৱাৰ বাতৰি বক্স বাতৰি হিচাবে অন্যতম গুৰুত্বপূৰ্ণ বাতৰিৰ স্থান দিছে।**

**দি আছাম ট্ৰিবিউন কাকতে বিভিন্ন ৰাজনৈতিক দলে ৰাজ্যত সৰ্বাধিক দুটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নিৰ্বাচন আয়োগক আহ্বান জনোৱাৰ বাতৰি প্ৰকাশ কৰিছে। দি ছেণ্টিনেল কাকতে নগা আৰু কুকি সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত ৫১ জন কুকি শিক্ষাৰ্থীক নিৰাপত্তাজনিত কাৰণত উখৰুলৰ পৰা স্থানান্তৰ কৰা বাতৰিক বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। ফুটুকাৰ ফেনত পৰিণত দুৰ্নীতিমুক্ত দেশ গঢ়াৰ শ্লগান শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে দুৰ্নীতিগ্ৰস্তৰ তালিকাত ১৮২ খন দেশৰ ভিতৰত ৫১ সংখ্যক স্থানত ভাৰত থকাৰ বাতৰিক বিস্তৃতভাৱে প্ৰকাশ কৰিছে।**

**অসমীয়া খবৰ কাকতে আজি মিচিং জনগোষ্ঠীৰ আলি-আয়ে-লৃগাং উৎসৱ উদযাপনৰ বাতৰিক বিশেষ গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। আমাৰ অসম কাকতৰ শিৰোনাম- হিমন্তকালত ৰাজ্যৰ জনমূৰি আয় ৮৩ শতাংশ বৃদ্ধিৰ দাবী।**

০০০০০০

আৰোহণৰ উদ্যোগত আৰু অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকালয়ৰ সহযোগত ২০ আৰু ২১ ফেব্ৰুৱাৰীত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ড° ভৱেন্দ্ৰনাথ শইকীয়া সোঁৱৰণি নাট সমাৰোহ আৰু বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিশিষ্ট সাহিত্যিক তথা চলচ্চিত্ৰ পৰিচালকগৰাকীৰ ওপজা দিন উপলক্ষে ড° ভৱেন্দ্ৰনাথ শইকীয়া শিশু কল্যাণ ন্যাসে সাহিত্যিকগৰাকীৰ সোঁৱৰণত গল্পকাৰ ড° নমিতা বৈশ্যক বঁটা প্ৰদান কৰিব। ইয়াৰ লগতে পদ্মশ্ৰী সন্মানেৰে সন্মানিত নুৰুদ্দিন আহমেদক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব। ২০ ফেব্ৰুৱাৰীত বঁটা প্ৰদানৰ পাছতে সন্ধিয়া চাৰে ৬ বজাত নটসূৰ্যই মলয়া গোস্বামীৰ পৰিচালনাৰে 'আলি দোমোজাত' শীৰ্ষক নাটখন মঞ্চস্থ কৰিব। ২১ ফেব্ৰুৱাৰীৰ সন্ধিয়া ছিগালৰ উদ্যোগত ভবেন্দ্ৰনাথ শইকীয়াৰ ৰচনা আৰু বাহাৰুল ইছলামৰ পৰিচালনাৰে 'আকাশ' নাটখন মঞ্চস্থ কৰা হ'ব।

সামাজিক সাংস্কৃতিক অনুষ্ঠান জ্যোতিৰূপাৰ অষ্টদশ বাৰ্ষিক সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱা নাট সমাৰোহ ২৪ ফেব্ৰুৱাৰীৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। প্ৰতি সন্ধিয়া ৬ বজাৰ পৰা নাটসমূহ পৰিৱেশন কৰা হ'ব। উদ্বোধনী অনুষ্ঠানৰ পাছতে মাণিক ৰয় পৰিচালিত 'মধুমক্ষিকা' নাটখন মঞ্চস্থ কৰা হ'ব। ২৫ ফেব্ৰুৱাৰীত জ্যোতি নাৰায়ণ নাথৰ ৰচনা আৰু পৰিচালনাৰে সোণালী বেলি নাটখন মঞ্চস্থ কৰা হ'ব। ২৬ ফেব্ৰুৱাৰীত উজলা বৰ্মনৰ কাহিনীত অম্লানদীপ শইকীয়াই নাট্যৰূপ দিয়া 'বুকুৰ সৰু চৰাই' নাটখন মঞ্চস্থ কৰা হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**